**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-03-2024
**Time :** 1800 Hrs.

***Assamese Evening Bulletin***

দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হৈছে। এই পৰ্যায়ত দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ অন্তৰ্গত মুঠ ৮৮ খন আসনৰ লগতে  আউটাৰ মণিপুৰ সংসদীয় সমষ্টিৰ এটা অংশৰ বাবে প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব। দ্বিতীয় পৰ্যায়ত কেৰালাৰ ২০ টা, কৰ্ণাটকৰ ১৪ টা, ৰাজস্থানৰ ১৩ টা, উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ আঠটাকৈ, মধ্যপ্ৰদেশৰ ৭টা, অসম আৰু বিহাৰৰ ৫ টাকৈ, পশ্চিমবংগ আৰু ছত্তিশগড়ৰ তিনিটাকৈ আৰু মণিপুৰ, ত্ৰিপুৰা আৰু জম্মু-কাশ্মীৰৰ এটাকৈ লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। অহা ২৬ এপ্ৰিলত ভোটগ্ৰহণ হ'বলগীয়া এই সমষ্টিসমূহৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ শেষ দিন হ'ব ৪ এপ্ৰিল। জম্মু-কাশ্মীৰৰ বাহিৰে এই পৰ্যায়ত সামৰি ল'বলগীয়া আটাইকেইটা সমষ্টিৰ মনোনয়ন পত্ৰসমূহ ৫ এপ্ৰিলত পৰীক্ষা কৰা হ'ব। জম্মু-কাশ্মীৰত মনোনয়ন পত্ৰসমূহ ৬ এপ্ৰিলত পৰীক্ষা কৰা হ'ব।

oooooo

————ৰাজ্যত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰি থকা হৈছে। এই পৰ্যায়ত ৰাজ্যৰ ৫ খন আসন সামৰি লোৱা হ'ব। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৩৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। বিজেপিৰ হৈ অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, সাংসদ প্ৰদান বৰুৱা, প্ৰাক্তন মন্ত্ৰী তথা বিধায়ক ৰঞ্জিত দত্তই এই পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিছে। কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈ আৰু প্ৰাক্তন বিধায়িকা ৰ'জলিনা তিৰ্কীয়েও মনোনয়ন দাখিল কৰিছে। ডিব্ৰুগড় সমষ্টিত সৰ্বানন্দ সোণোৱালৰ বিৰুদ্ধে অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈ অৱতীৰ্ণ হৈছে। ইফালে, ৰাজ্যত দ্বিতীয় পৰ্যায়ৰ বাবেও মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। শিলচৰ আৰু নগাঁৱকে ধৰি পাঁচটা সমষ্টিত দ্বিতীয় পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব।

আনহাতে, প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনত সামৰি ল'বলগীয়া বিহাৰৰ সমষ্টিকেইটাৰ বাবে দাখিল কৰা মনোনয়নসমূহ পৰহিলৈ পৰীক্ষা কৰা হ'ব। এই পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন হ'ল অহা ৩০ মাৰ্চ। বিহাৰত মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ শেষ দিন ২ এপ্ৰিল।

ooooooo

সমাগত লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ জিলা প্ৰশাসনসমূহে তৎপৰতাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। নিৰ্বাচনৰ বাবে কাজিৰঙা লোকসভা সমষ্টিৰ সাধাৰণ পৰ্যৱেক্ষক শ্ৰী এম জে প্ৰদীপ চান্দ্ৰেনে আজি গোলাঘাট জিলাৰ নিৰ্বাচনী কোষসমূহ পৰিদৰ্শন কৰাৰ লগতে জিলা নিৰ্বাচনী বিষয়া আৰু অন্যান্য কোষৰ দায়িত্বত থকা বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হয়। ইয়াৰ লগতে তেওঁ জিলাখনত চলি থকা নিৰ্বাচনী কাম-কাজসমূহৰ বুজ লয়। সমগ্ৰ নিৰ্বাচন প্ৰক্ৰিয়াটো নিকা-স্বচ্ছ আৰু সুচাৰুৰূপে চলাবৰ বাবে তেওঁ আহ্বান জনায়। উল্লেখযোগ্য যে জিলাখনৰ লোকসকলে নিৰ্বাচন সম্বন্ধীয় তথ্যৰ বাবে 6000671450 নম্বৰত যোগাযোগ কৰিব পাৰিব। লগতে নিৰ্বাচন সম্বন্ধীয় যিকোনো অভিযোগ দাখিল কৰিব বাবে নিয়ন্ত্ৰণকক্ষৰ 0377 4283282 নম্বৰত যোগাযোগ কৰিব পাৰিব।

একেদৰে লখিমপুৰ লোকসভা সমষ্টিৰ বাবে নিয়োজিত নিৰ্বাচনী সাধাৰণ পৰ্য্যৱেক্ষক সন্দীপ জনাৰ্দনপণ্ট সাগলে জিলাখনত উপস্থিত হৈ প্ৰস্তুতি সম্পৰ্কে বুজ লয়। ৰাইজে সমষ্টিটোৰ নিৰ্বাচন সম্পৰ্কীয় যিকোনো বিষয় বা অভিযোগ সম্পৰ্কত পৰ্যবেক্ষকগৰাকীক ৭০০২৫১৮৪২০ ফোন নম্বৰত যোগাযোগ কৰিব পাৰিব। তদুপৰি জনসাধাৰণে পৰ্যৱেক্ষকগৰাকীক আৰৰ্ত ভৱনত পুৱা ১১ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ সাক্ষাৎ কৰিব পাৰি। জিলাখনৰ নিৰ্বাচনী প্ৰস্তুতি সন্দৰ্ভত আমাৰ সংবাদদাতা হিমাদ্ৰী দিহিঙীয়াই এইদৰে কয় —

***ঃঃ ভইচ ঃঃ***

ইপিনে ডিব্ৰুগড় জিলাত নিৰ্বাচনী আচৰণবিধি বলৱৎ হৈ থকাৰ সময়ছোৱাত ধনৰ অবৈধ লেন-দেন, ভোটাৰক ধন দি প্ৰলোভিত কৰা, সুৰাৰ অবাধ প্ৰচলন আদি ৰোধ কৰাৰ উদ্দেশ্যেৰে আদৰ্শ আচৰণবিধি কোষে সক্ৰিয় ভূমিকা পালন কৰিছে। জিলাখনৰ আটাইকেইটা বিধানসভা সমষ্টিত নিয়োজিত ষ্টেটিক ছাৰ্ভিলেন্স দল, ফ্লায়িং স্কোৱাড আৰু ভিডিঅ' ছাৰ্ভিলেন্স দলসমূহে নিয়মীয়া তালাচী চলোৱাৰ লগতে আচৰণবিধি উলংঘনৰ ঘটনা ৰোধ কৰাৰ বাবে কাম কৰি আছে। ষ্টেটিক ছাৰ্ভিলেন্সৰ দলে শিৱসাগৰৰ পৰা তিনিচুকীয়ালৈ গৈ থকা অৱস্থাত এজন লোকৰ পৰা প্ৰায় ৭০ হাজাৰ টকা জব্দ কৰাৰ লগতে ফ্লায়িং স্কোৱাডৰ দলে মৰাণৰ পৰা ডিব্ৰুগড় অভিমুখী এখন বাহনৰ পৰা ৭১ হাজাৰ টকা উদ্ধাৰ কৰে। আনহাতে খনিকৰ চাৰিআলিত ফ্লায়িং স্কোৱাডৰ দলে তালাচী চলাই এখন বাহনৰ পৰা প্ৰায় ৫ লাখ টকা জব্দ কৰে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ ডেলহি কেপিটেলছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। ছানৰাইজাৰ্ছ হায়দৰাবাদে যোৱা নিশা হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত মুম্বাই ইণ্ডিয়ানছক ৩১ ৰানত পৰাস্ত কৰে।

০০০০০

**সমাপ্ত**